**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-05-2026 **Time:**19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::::***

১। পশ্চিমবংগৰ বিজেপি বিধায়িনী দলৰ নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

২। চৰকাৰে ২০২৫ চনৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰিছে।

৩। ওড়িশাৰ ড০ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা কালি এম আই আৰ ভি প্ৰযুক্তি সম্বলিত শেহতীয়া অগ্নিক্ষেপনাস্ত্ৰৰ সফল অনুশীলন সম্পন্ন কৰা হয়।

৪। আৰ্চাৰী বিশ্বকাপ ২০২৬ দ্বিতীয় পৰ্যায়ৰ পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শিতানত চাহিল যাধৱে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছু সময়ৰ পাছতে  ৰাজস্থান ৰয়েলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

পশ্চিমবংগৰ বিজেপি বিধায়িনী দলৰ নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীগৰাকীৰ লগতে আন ৫ গৰাকী কেবিনেট মন্ত্ৰীয়েও শপতগ্ৰহণ কৰে। পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবিয়ে তেওঁলোকক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। আজি শপত লোৱা আন মন্ত্ৰীকেইগৰাকী হ'ল দিলীপ ঘোষ, অগ্নিমিত্ৰা পাল, অশোক কীৰ্তনীয়া, নিশিথ প্ৰামাণিক আৰু ক্ষুদিৰাম টুডু।

আজি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীৰ লগতে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলো উপস্থিত থাকে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে। শপতগ্ৰহণস্থলী ব্ৰিগেড গ্ৰাউণ্ডত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে এটা ৰোডশ্ব'তো অংশগ্ৰহণ কৰে।

নাগালেণ্ডৰ নেইফিউ ৰিঅ'ই পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা শুভেন্দু অধিকাৰীক অভিনন্দন জনাইছে। শ্ৰী ৰিঅ'ই লগতে শুভেন্দু অধিকাৰী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলক সফল কাৰ্যকালৰ বাবে শুভকামনা জনায়। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত কলকাতাত কালি অনুষ্ঠিত বিধায়িনী দলৰ বৈঠকত শুভেন্দু অধিকাৰীক বিধায়িনী গোটৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পাছত শ্ৰীঅধিকাৰীয়ে পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবিক সাক্ষাৎকৰি ৰাজ্যখনৰ বিজেপি নেতৃত্বাধীন প্ৰথমখন চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে।

শপতগ্ৰহণ অনুষ্ঠানৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ যোগেদিও পশ্চিমবংগৰ নৱতম মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয়, যে জনগণৰ সৈতে গভীৰভাবে সংপৃক্ত হৈ থাকি তেওঁলোকৰ সুখ-দুখৰ সততে উমান লৈ থকা নেতাৰূপে শ্ৰীঅধিকাৰীয়ে ইতিমধ্যে প্ৰোজ্জ্বল নিৰ্দশন দাঙি ধৰিছে। তেওঁৰ নেতৃত্বত নতুন চৰকাৰখনে পশ্চিমবংগক সুজলা-সুফলা ভৱিষ্যতলৈ আগুৱাই লৈ যাব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে আজি শপতগ্ৰহণ কৰা পাঁচোগৰাকী মন্ত্ৰীলৈও অভিনন্দন জ্ঞাপন কৰি তেওঁলোকক তৃণমূল পৰ্যায়ত অবিৰত অবিচল প্ৰচেষ্টাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০০০০

চৰকাৰে ২০২৫ চনৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰিছে। এই সন্মানৰ বাবে দেশজুৰি ৪২খন পঞ্চায়তক বাচনি কৰা হৈছে। পঞ্চায়ত ৰাজ মন্ত্ৰালয়ে সদৰি কৰা অনুসৰি অহা ৩ জুনত নতুন দিল্লীত বঁটা বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, ছখন নিৰ্বাচিত পঞ্চায়তৰ সৈতে কৰ্ণাটক শ্ৰেষ্ঠ বিবেচিত হোৱাৰ লগতে পাঁচখনকৈ নিৰ্বাচিত পঞ্চায়তৰ সৈতে অন্ধ্ৰপ্ৰদেশে দ্বিতীয় আৰু ওড়িশাই তৃতীয় স্থান দখল কৰিছে।

উল্লেখযোগ্য যে, দীনদয়াল উপাধ্যায় পঞ্চায়ত স্থায়ী বিকাশ পুৰস্কাৰ আৰু নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত স্থায়ী বিকাশ পুৰস্কাৰ শীৰ্ষক দুটা শিতানত এই বঁটাসমূহ আগবঢ়োৱা হয়। দীনদয়াল উপাধ্যায় বঁটাৰ জৰিয়তে দৰিদ্ৰতা মুক্ত জীৱিকা, স্বাস্থ্য, খোৱাপানী যোগান, অনাময়, মহিলাৰ বাবে ইতিবাচক পৰিৱেশ থকা প্ৰশাসন ব্যৱস্থা আৰু সামাজিক ন্যায়কে ধৰি স্থায়ী উন্নয়নৰ লক্ষ্যৰ সৈতে সম্পৰ্কীত বিষয়সমূহৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি পঞ্চায়তসমূহক পুৰস্কৃত কৰা হয়। ১৭খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৪খন গাঁও পঞ্চায়তত এই শিতানত বাচনি কৰা হৈছে।

আনহাতে, নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত স্থায়ী বিকাশ পুৰস্কাৰৰ জৰিয়তে জিলা, খণ্ড তথা গাঁও পৰ্যায়ত উৎকৃষ্ট প্ৰদৰ্শন কৰা পঞ্চায়তসমূহক পুৰস্কৃত কৰা হ'ব। অসমৰ শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও পঞ্চায়তৰ নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত স্থায়ী বিকাশ পুৰস্কাৰ লাভ কৰিছে। একদৰে, নগাঁৱৰ জুমৰমুৰ গাঁও পঞ্চায়তে স্বচ্ছ আৰু সেউজ পঞ্চায়তৰ সন্মান লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্বনিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে।

মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে শিতান তথা পৰ্যায় ভিত্তিত নিৰ্বাচিত পঞ্চায়তসমূহে ৫০ লাখৰ পৰা আৰম্ভ কৰি ৫ কোটি টকালৈকে উদগণিমূলক ধন লাভ কৰিব। ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ পঞ্চায়ত উদগণি আঁচনিৰ অধীনত এই বঁটাসমূহ আগবঢ়োৱা হৈছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে গ্ৰাম্য ভাৰতৰ স্থায়ী তথা সৰ্বাত্মক বিকাশ সংবৰ্ধনৰ উদ্দেশ্যে উৎকৃষ্ট প্ৰদৰ্শন কৰা পঞ্চায়তসমূহৰ কাম-কাজ স্বীকৃতি দিয়াৰ লগতে উদগণি যোগোৱাৰ উদ্দেশ্যে বাৰ্ষিক এই ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাসমূহ আগবঢ়ায়।

০০০০০০০

চি যোচেফ বিজয়ৰ নেতৃত্বত টি ভি কে দলে তামিলনাডুত নতুন চৰকাৰ গঠনৰ বাবে ১২০গৰাকী বিধায়কৰ সমৰ্থন লাভ কৰা বুলি দাবী উত্থাপন কৰিছে। উল্লেখযোগ্য যে, ২৩৪গৰাকী সদস্যৰে গঠিত তামিলনাডু বিধানসভাত নতুন চৰকাৰ গঠনৰ বাবে ১১৮গৰাকী বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন। সদ্যঘোষিত তামিলনাডু বিধানসভা নিৰ্বাচনৰ ফলাফল অনুসৰি টি ভি কে দলে ১০৮খন আসনেৰে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। টি ভি কে দলৰ নেতা আধৱ অৰ্জুনে আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি,

ইতিমধ্যে কংগ্ৰেছ, চি পি আই (এম), ভি চি কে আৰু আই ইউ এম এল দলৰ মুঠ ১৩গৰাকী বিধায়কে সমৰ্থন প্ৰদান কৰাৰ লগে লগে টি ভি কে দলৰ চৰকাৰ গঠনৰ পথ প্ৰশস্ত হৈ উঠিছে।

0000000

বিধি বলৱৎকাৰী সঞ্চালকালয়ে হাম্পটন স্কাই ৰিয়েলিটি লিমিটেডৰ সৈতে জড়িত এটা ধন আত্মসাৎ গোচৰ সম্পৰ্কত পঞ্জাব মন্ত্ৰী সভাৰ মন্ত্ৰী সঞ্জীৱ অৰোৰাক গ্ৰেপ্তাৰ কৰিছে। এই সন্দৰ্ভত সঞ্চালকালয়ে দিল্লী, গুৰুগ্ৰাম আৰু চণ্ডীগড়ৰ পাঁচটা স্থানত ইতিপূৰ্বে তালাচী চলাইছে। ধন আত্মসাৎ প্ৰতিৰোধী আইন পি এম এল এ-২০০২ ফৌজদাৰী অংশৰ অধীনত এই গোচৰ ৰুজু কৰা হৈছে।

0000000

ওড়িশাৰ ড০ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা কালি এম আই আৰ ভি প্ৰযুক্তি সম্বলিত শেহতীয়া অগ্নিক্ষেপনাস্ত্ৰৰ সফল অনুশীলন সম্পন্ন কৰা হয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে যে, ভাৰত মহাসাগৰৰ বৃহৎ ভূগোলিক অঞ্চলত লক্ষ্য কৰি লোৱা বিভিন্ন স্থানত এই ক্ষেপনাস্ত্ৰ পৰীক্ষা কৰা হয়। মন্ত্ৰ্যালয়ে লগতে উল্লেখ কৰে যে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এম আই আৰ ভি প্ৰযুক্তি  সম্বলিত অগ্নি মিছাইলৰ সফল প্ৰশিক্ষণত ভাৰতীয় সেনা, ডি আৰ ডি অ' তথা প্ৰতিৰক্ষা খণ্ডৰ কাম-কাজৰ শলাগ লয়। শ্ৰীসিঙে কয়, যে বাঢ়ি অহা প্ৰত্যাহ্বানজনক পৰিবেশৰ বিপৰীতে দেশৰ প্ৰতিৰক্ষা খণ্ডৰ প্ৰস্তুতি প্ৰতিফলিত হোৱাৰ ক্ষেত্ৰত এই পদক্ষেপ উল্লেখযোগ্য হিচাপে পৰিগণিত হৈছে।

0000000

দেশৰ বিভিন্ন অংশত আজি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে পশ্চিম বংগৰ শান্তি নিকেতন, বিশ্ব ভাৰতী বিশ্ববিদ্যালয়সহ বিভিন্ন স্থানত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শান্তি নিকেতনত পুৱা ৫ বজাতে বৈতালিক গীতেৰে পৰম্পৰাগত ৰীতি-নীতিৰে ৰবীন্দ্ৰ জয়ন্তী উদযাপন আৰম্ভ কৰা হয়।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী উপলক্ষে কবিগুৰুলৈ শ্ৰদ্ধাঞ্জলি তৰ্পন কৰিছে। উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে কবিগুৰুৰ অৱদান সাহিত্য জগতৰ পৰিধিতকৈ অধিক ব্যাপক আছিল। তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰক এগৰাকী অগ্ৰণী চিন্তাবিদ, শিল্পী আৰু শিক্ষাবিদৰূপে অভিহিত কৰে। তেওঁ লগতে কবিগুৰুৰ কৰ্মৰাজিৰ মাজেৰে দেশৰ চহকী সভ্যতা আৰু মানৱতাৰ দৰে সাৰ্বজনীন প্ৰমূল্যৰাজিৰ প্ৰতিফলন ঘটে বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক এগৰাকী লেখক, চিন্তাবিদ আৰু অসাধাৰণ প্ৰতিভাৰ কবি বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কৰ্মৰাজিৰ মাজেৰে মানৱতাৰ গভীৰ আবেগ আৰু মহান অৱধাৰণাৰ অভিব্যক্তি প্ৰকাশ পাইছে।

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাৰ ৰবীন্দ্ৰ কাননতো আজি ৰবীন্দ্ৰ জয়ন্তী উপলক্ষে ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

0000000

রাজ্যত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। কাইলৈ বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰাৰ পাছত অহা ১২ মে'ত নতুন চৰকাৰে আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰিব। ইয়াৰ বাবে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে।

০০০০০০০

চীনৰ চাংহাইত চলি থকা আৰ্চাৰী বিশ্বকাপ ২০২৬ দ্বিতীয় পৰ্যায়ৰ পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শিতানত চাহিল যাধৱে আজি ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। মহাৰাষ্ট্ৰৰ ২৫ বছৰীয়া আৰ্চাৰগৰাকীয়ে ডেনমাৰ্কৰ প্ৰবীণ আৰ্চাৰ মাৰ্টিন ডাম্‌ছ্‌ৱ'ক ব্ৰঞ্জৰ পদক নিৰ্ণায়ক খেলখনত ১৪৭-১৪৪ পইণ্টত পৰাস্ত কৰি এইবাৰৰ প্ৰতিযোগিতাত ভাৰতৰ হৈ প্ৰথমটো পদক অৰ্জন কৰে। দেওবাৰলৈকে চলিবলগীয়া প্ৰতিযোগিতাত দেশে আৰু দুটা শিতানত পদক লাভ কৰাৰ আশা আছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছু সময়ৰ পাছতে ৰাজস্থান ৰয়েলছ্‌ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। টচত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ